জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

প্ৰেছ বাৰ্তা নং ঃ ৩৭০/২০২২

## উপায়ুক্ত আৰু আৰক্ষী অধীক্ষকসকলৰ সৈতে মুখ্যমন্ত্ৰীৰ ভিডিঅ’ কনফাৰেন্স

# পথ সুৰক্ষাৰ ব্যৱস্থাৱলী বলবৎ আৰু বিভিন্ন চৰকাৰী আঁচনিৰ পৰ্যালোচনা মুখ্যমন্ত্ৰীৰ

**দিছপুৰ, ১৯ ডিচেম্বৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি গুৱাহাটীৰ পৰা ভিডিঅ’ কনফাৰেন্সিঙৰ জৰিয়তে জিলা উপায়ুক্ত, আৰক্ষী অধীক্ষক আৰু চৰকাৰী বিভাগসমূহৰ শীৰ্ষ বিষয়াসকলৰ সৈতে পথ সুৰক্ষাৰ ব্যৱস্থাৱলী বলবৎ, অৰুণোদয় ২.০ ৰ অধীনত হিতাধিকাৰী নিৰ্বাচন, অমৃত সৰোবৰ প্ৰকল্প ৰূপায়ণ আৰু ধান ক্ৰয়ৰ বাবে গ্ৰহণ কৰা ব্যৱস্থাৱলীৰ পৰ্যালোচনা কৰে।

মৃত্যুৰ হাৰ হ্ৰাস কৰাৰ বাবে পথ সুৰক্ষাৰ দিশত কঠোৰ ব্যৱস্থা গ্ৰহণৰ ওপৰত গুৰুত্ব আৰোপ কৰি মুখ্যমন্ত্ৰীয়ে উপায়ুক্ত আৰু আৰক্ষী অধীক্ষকসকলক পথ সুৰক্ষাৰ আচাৰবিধিসমূহ কঠোৰভাৱে বলবৎ কৰাৰ বাবে নিৰ্দেশ দিয়ে। তেওঁ বাইক ষ্টাণ্ট, তীব্ৰ গতিৰে গাড়ী চলোৱা আৰু মদ্যপান কৰি গাড়ী চলোৱা চালকসকলৰ বিৰুদ্ধেও ব্যৱস্থা ল’বলৈ নিৰ্দেশ দিয়ে। তেওঁ লগতে ৰাষ্ট্ৰীয় ঘাইপথ আৰু গুৰুত্বপূৰ্ণ পথসমূহত তহল তীব্ৰতৰ কৰিবলৈও নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে পথ দুৰ্ঘটনাৰ কাৰণসমূহ চিনাক্ত কৰি ইয়াৰ সবিশেষ বিশ্লেষণৰ জৰিয়তে সংশোধনীমূলক ব্যৱস্থাৰ দ্বাৰা পথ সুৰক্ষাৰ ক্ষেত্ৰত থকা ব্যৱস্থাৱলীসমূহ বলবৎ কৰাৰ ওপৰতো গুৰুত্ব আৰোপ কৰে। মুখ্যমন্ত্ৰীয়ে উপায়ুক্তসকলক পথ দুৰ্ঘটনাৰ নিয়মীয়া পৰ্যালোচনা কৰিবলৈ কয় আৰু সঘনে দুৰ্ঘটনা সংঘটিত হোৱা স্থানসমূহ চিনাক্ত কৰিবলৈও নিৰ্দেশ দিয়ে। তেওঁ লগতে কয় যে জিলা পথ সুৰক্ষা সমিতিয়ে এনে দুৰ্ঘটনাপ্ৰৱণ স্থানসমূহ পৰিদৰ্শন কৰি পৰিস্থিতিৰ প্ৰত্যক্ষ বুজ ল’ব লাগিব। বছৰটোত সংঘটিত হোৱা সকলো দুৰ্ঘটনাৰ বিশ্লেষণাত্মক প্ৰতিবেদন প্ৰস্তুত কৰিবলৈ পৰিবহন বিভাগক নিৰ্দেশ দি মুখ্যমন্ত্ৰীয়ে উপায়ুক্তসকলক ৰাজ্যিক লোকনিৰ্মাণ বিভাগ আৰু এন এইচ আই ডি চি এলৰ সৈতে আলোচনা কৰি বিপদসংকুল পথসমূহ অগ্ৰাধিকাৰৰ ভিত্তিত মেৰামতি কৰিবলৈ নিৰ্দেশ দিয়ে।

দুৰ্ঘটনামুক্ত নৱবৰ্ষ উদ্‌যাপন নিশ্চিত কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰি মুখ্যমন্ত্ৰীয়ে অনাগত বছৰসমূহত দুৰ্ঘটনাৰ হাৰ ন্যূনতম ২০ শতাংশ হ্ৰাস কৰাৰ বাবে লক্ষ্য নিৰ্দ্ধাৰণ কৰিবলৈ কয়। বনভোজস্থলীসমূহত কোনেও যাতে মদ্যপান কৰিব নোৱাৰে আৰু বনভোজৰ যাত্ৰী কঢ়িয়াই নিয়া গাড়ী দ্ৰুত গতিত চলাব নোৱাৰে সেই ক্ষেত্ৰতো চোকা দৃষ্টি ৰাখিবলৈ তেওঁ নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে বনভোজস্থলীসমূহত অবৈধ সুৰাৰ বিক্ৰীৰ বিৰুদ্ধে আবকাৰী বিভাগৰ সৈতে অভিযান চলাবলৈও উপায়ুক্তসকলক নিৰ্দেশ দিয়ে।

ভিডিঅ’ কনফাৰেন্সিঙৰ সময়ত মুখ্যমন্ত্ৰীয়ে অৰুণোদয় ২.০ ৰ অধীনত হিতাধিকাৰী নিৰ্বাচনৰ

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in

নীতি-নিৰ্দেশাৱলী সম্পৰ্কেও আলোচনা কৰে। মুখ্যমন্ত্ৰীয়ে উপায়ুক্তসকলক অহা ১০ এপ্ৰিলৰ ভিতৰত নিৰ্দ্ধাৰিত লক্ষ্যত উপনীত হ'ব পৰাকৈ ব্যৱস্থা ল'বলৈ নিৰ্দেশ দিয়ে। তেওঁ লগতে এটা পৰিয়ালত যাতে এজন হিতাধিকাৰীহে থাকে সেই দিশতো বাছনি পক্ৰিয়া চলি থকাৰ সময়ত সুনিশ্চিত কৰিবলৈও কয়।

ধান ক্ৰয়ৰ বিষয়টো আলোচনা কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্য চৰকাৰৰ এই বিষয়টো অগ্ৰাধিকাৰৰ ক্ষেত্ৰ আৰু সকলো জিলাতে ক্ৰয় অভিযান তীব্ৰতৰ কৰি তুলিব লাগিব। মুখ্যমন্ত্ৰীয়ে কৃষকসকলক এই ক্ষেত্ৰত সচেতন কৰিবলৈ কয়। তেওঁ লগতে ধান বিক্ৰীৰ বাবে সাজু কৰি তুলিবলৈ আদ্ৰতা হ্ৰাস কৰিব পৰাকৈ প্ৰাকৃতিকভাৱে শুকুওৱাৰ ক্ষেত্ৰতো সচেতনতা সৃষ্টি কৰিবলৈ কয়।

আজিৰ এই ভিডিঅ' কনফাৰেন্সিঙৰ সময়ত অমৃত সৰোবৰ প্ৰকল্প ৰূপায়ণৰ বিষয়টোও আলোচনা কৰা হয়। উল্লেখ্য যে এই প্ৰকল্পৰ অধীনত সমগ্ৰ অসমতে ২৯৮৫ টা পুখুৰী খন্দা হ'ব। মুখ্যমন্ত্ৰীয়ে বাকী থকা ডি পি আৰ সমূহ ক্ষিপ্ৰতাৰে জমা দিবলৈ নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে উপায়ুক্তসকলক বিশেষ প্ৰতিষেধক অভিযান সফল কৰাৰ দিশতো প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিয়ে।

আজিৰ এই ভিডিঅ' কনফাৰেন্সিঙৰ সময়ত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰঞ্জিত কুমাৰ দাস, স্বাস্থ্য মন্ত্ৰী কেশৱ মহন্ত, হস্ততাঁত আৰু বস্ত্ৰশিল্প বিভাগৰ মন্ত্ৰী ইউ জি ব্ৰহ্ম, বিত্ত মন্ত্ৰী অজন্তা নেওগ, তথ্য আৰু জনসংযোগ বিভাগৰ মন্ত্ৰী পীযুষ হাজৰীকা, জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী জয়ন্ত মল্লবৰুৱা, আৰক্ষী সঞ্চালক প্ৰধান ভাস্কৰজ্যোতি মহন্ত, খাদ্য আৰু অসামৰিক যোগান তথা গ্ৰাহক পৰিক্ৰমা বিভাগৰ দায়িত্বত থকা অতিৰিক্ত মুখ্য সচিব বি আৰ শ্যামাল, মুখ্যমন্ত্ৰীৰ প্ৰধান সচিব সমীৰ কুমাৰ সিনহা, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ প্ৰধান সচিব জে বি এক্কা, বিত্ত বিভাগৰ আয়ুক্ত সচিব জয়ন্ত নাৰ্লিকাৰ, মহানগৰ আৰক্ষী আয়ুক্ত দিগন্ত বৰা, পৰিবহন আয়ুক্ত আদিল খান আৰু অন্যান্য শীৰ্ষ বিষয়াসকল উপস্থিত থাকে।

**বীঃগঃ / পুঃডেঃ**
**১৯/১২/২০২২**